জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নংঃ ৫৩৪/২০২০

## মৈত্ৰী আঁচনিৰ অধীনত নৱনিৰ্মিত পাণবজাৰ আৰক্ষী থানাৰ ভৱন উদ্বোধন কৰিলে মুখ্যমন্ত্ৰীয়ে

# ক'ভিড ৰোগীৰ চিকিৎসাত সহায়ক হোৱাকৈ অসম আৰক্ষীৰ জোৱানে প্লাজমা দান কৰা কাৰ্যৰ শলাগ ল'লে মুখ্যমন্ত্ৰীয়ে

## অন্যায় কাৰ্য সংঘটিত কৰা আৰক্ষীৰ বিৰুদ্ধে ৰাজ্য চৰকাৰে গ্ৰহণ কৰিব কঠোৰ পদক্ষেপ ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ৬ আগষ্ট ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি মৈত্ৰী আঁচনিৰ অধীনত নতুনকৈ নিৰ্মাণ কৰি উলিওৱা পাণবজাৰ আৰক্ষী থানাৰ ভৱন আনুষ্ঠানিকভাৱে শুভ উদ্বোধন কৰে। এই উপলক্ষে অনুষ্ঠিত অনুষ্ঠানত বক্তব্য প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে কয় যে নৱনিৰ্মিত আৰক্ষী থানাখনৰ আধুনিক ব্যৱস্থাৱলীয়ে আৰক্ষী থানাখনত কৰ্মৰত আৰক্ষী বাহিনীক জনসাধাৰণমুখী সেৱা আগবঢ়োৱাৰ দিশত অনুপ্ৰেৰণা যোগাব। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে অসম আৰক্ষীয়ে জনসাধাৰণলৈ অত্যন্ত নিষ্ঠা আৰু দায়বদ্ধতাৰে সেৱা আগবঢ়াই আহিছে। অসম আৰক্ষীৰ কৰ্তব্য নিষ্ঠা তথা কৰ্তব্য পৰায়ণতাই সমগ্ৰ দেশতে সুনাম কঢ়িয়াই আনিছে বুলি উল্লেখ কৰি আগন্তুক সময়তো এই সুনাম অক্ষুণ্ণ ৰখাৰ দিশত অসম আৰক্ষীয়ে অহোপুৰুষাৰ্থ কৰিব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। ক'ভিডৰ বিৰুদ্ধে চলোৱা যুঁজখনত অসম আৰক্ষীয়ে নিষ্ঠা সহকাৰে কৰ্তব্যত অৱতীৰ্ণ হোৱাৰ উপৰি ক'ভিডত আক্ৰান্ত ৰোগীসকলৰ চিকিৎসাত সহায়ক হোৱাকৈ অসম আৰক্ষীৰ জোৱানে প্লাজমা দান কৰা কাৰ্যৰ মুখ্যমন্ত্ৰীয়ে শলাগ লয়। অসম আৰক্ষীৰ ভাল কামক সমাজে প্ৰশংসা কৰাৰ প্ৰয়োজন বুলি উল্লেখ কৰি এই প্ৰশংসাই অসম আৰক্ষীক আৰু অধিক দায়বদ্ধতাৰে কৰ্তব্যত অৱতীৰ্ণ হোৱাৰ দিশত অনুপ্ৰেৰণা যোগাব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। অসমে সম্প্ৰতি ক'ভিড-১৯, বান, খহনীয়া, ধুমুহা, বাঘজানৰ গেছকূপৰ অগ্নিকাণ্ড ইত্যাদিৰ দৰে বহু সংখ্যক জটিল সমস্যাৰ সন্মুখীন হৈছে বুলি উল্লেখ কৰি অসম আৰক্ষীয়ে এই সমস্যাসমূহ মোকাবিলা কৰাৰ দিশত আগবঢ়োৱা বলিষ্ঠ অৰিহণাৰো মুখ্যমন্ত্ৰীয়ে শলাগ লয়।

আৰক্ষী বাহিনীৰ খাকী পোছাকযোৰৰ পৱিত্ৰতা অক্ষুণ্ণ ৰখাৰ ওপৰত গুৰুত্ব আৰোপ কৰি ৰাজ্য চৰকাৰে আৰক্ষী বাহিনীৰ দ্বাৰা সংঘটিত কৰা কোনো অন্যায় কাৰ্য কেতিয়াও সহ্য নকৰে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। অন্যায় কাৰ্য সংঘটিত কৰা আৰক্ষী লোকৰ বিৰুদ্ধে কঠোৰ পদক্ষেপ লোৱা হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। ২০১৫ চনত গুৱাহাটীত অনুষ্ঠিত সৰ্বভাৰতীয় আৰক্ষী সঞ্চালক প্ৰধানসকলৰ বৈঠকত প্ৰধানমন্ত্ৰী

নৰেন্দ্ৰ মোদীয়ে স্মাৰ্ট আৰক্ষী বাহিনী গঢ়ি তোলাৰ বাবে লোৱা লক্ষ্য বাস্তৱায়িত কৰাৰ বাবে ৰাজ্য চৰকাৰে মৈত্ৰীৰ দৰে আঁচনি গ্ৰহণ কৰি ৰাজ্যখনৰ আৰক্ষী বাহিনীক স্মাৰ্ট আৰক্ষী হিচাপে গঢ়ি তোলাৰ দিশত পদক্ষেপ লৈছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে লগতে ৰাজ্যখনৰ আৰক্ষী থানাসমূহৰ আন্তঃগাঁথনি শক্তিশালীকৰণ আৰু আৰক্ষী বাহিনীৰ লোকসকলৰ কৰ্মস্থলীত এক ইতিবাচক বাতাবৰণ সৃষ্টিৰ বাবে ৰাজ্য চৰকাৰে মৈত্ৰী আঁচনিখন গ্ৰহণ কৰিছে বুলিও কয়। মুখ্যমন্ত্ৰীয়ে আৰক্ষী বাহিনীয়ে কৰ্তব্য সম্পাদন কৰাৰ সময়ত মানৱ অধিকাৰসমূহ সুৰক্ষিত কৰাৰ ওপৰটো গুৰুত্ব আৰোপ কৰে।

মুখ্যমন্ত্ৰীয়ে ক'ভিড-১৯ ত আক্ৰান্ত হৈ মৃত্যুবৰণ কৰা আৰক্ষী জোৱানসকলৰ প্ৰতি গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰাৰ উপৰি অসম আৰক্ষীয়ে এই জটিলসময়ত জনসাধাৰণলৈ আগবঢ়োৱা সেৱাৰো শলাগ লয়। এখন স্মাৰ্ট চিটিৰ বাবে স্মাৰ্ট পুলিচ বাহিনীৰ একান্ত প্ৰয়োজন বুলি উল্লেখ কৰি মৈত্ৰী আঁচনিৰ জৰিয়তে নতুনকৈ নিৰ্মাণ কৰা থানাসমূহৰ ভৱনে আৰক্ষী বাহিনীৰ কৰ্মথলীত এক ইতিবাচক বাতাবৰণ সৃষ্টি কৰিব বুলি মুখ্যমন্ত্ৰীয়ে কয়।

আজিৰ এই অনুষ্ঠানত গুৱাহাটী উন্নয়ন বিভাগৰ মন্ত্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য, আৰক্ষী সঞ্চালক প্ৰধান ভাস্কৰজ্যোতি মহন্ত, মহানগৰ আৰক্ষী আয়ুক্ত মুন্না প্ৰসাদ গুপ্তাইও বক্তব্য প্ৰদান কৰে।

**স্বাক্ষৰ /পুঃডেঃ / বঃভাঃ**
**৬/০৮/২০২০**